**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 06**-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ সদস্যসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে যুৱ প্ৰজন্মই ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

৩। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে পশ্চিমবংগৰ দীৰ্ঘদিন ধৰি আধৰুৱা হৈ থকা ৰে'ল প্ৰকল্পসমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

৪। ইজৰাইলে যুদ্ধবিৰতি উলংঘা কৰি দক্ষিণ লেবাননত চলোৱা বিমান আক্ৰমণত আজি ৯ জন লোক নিহত হয়।
*আৰু*

৫। ভাৰতৰ পুৰুষ দলটোৱে তৃতীয়বাৰৰ বাবে ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ সদস্যসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত শ্ৰীমোদী আৰু পৰিষদৰ বিষয়ববীয়াসকলক দেশৰ অৰ্থনীতিক ত্বৰান্বিত কৰিব পৰা বহুকেইটা বিষয়ত আলোচনা কৰে। দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব পৰা আৰু ব্যৱসায় সম্বন্ধীয় বহুকেইটা বিষয়টো পৰ্যালোচনা কৰা হয়। বৈঠকত পশ্চিম এচিয়াৰ যুদ্ধই সমগ্ৰ বিশ্বৰ লগতে ভাৰতৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়েও স্থান লাভ কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এই বৈঠকত দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন আৰু উন্নয়নমূলক কাৰ্যপ্ৰণালীৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। তেওঁলোকে লগতে দেশৰ অৰ্থনৈতিক ব্যৱস্থাটো কিদৰে গতি প্ৰদান কৰিব পাৰি সেই বিষয়েও মতামত দাঙি ধৰে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে যুৱ প্ৰজন্ম দেশৰ সৰ্ববৃহৎ শক্তি আৰু এই শক্তিয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। নতুন দিল্লীত আজি **বিকশিত ভাৰতৰ বাবে যুৱ প্ৰজন্ম - মোৰ ভাৰত যুৱ সন্মিলন**ত ভাষণ দি শ্ৰীমন্দাভিয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱক-যুৱতীসকলে যাতে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে নিজা আশা-আকাংক্ষা, ধাৰণা, উদ্ভাৱনৰ বিষয়ে নিজৰ মত প্ৰকাশ কৰিব পাৰে তাৰ বাবে **মোৰ ভাৰত** মঞ্চ বিকশাই তুলিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে দেশৰ ৬৫ শতাংশ নাগৰিকৰ বয়স ৩৫ বছৰতকৈ কম, এই বৈশিষ্টই ভাৰতক বিশ্বৰ অন্যতম যুৱ ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে ৰাষ্ট্ৰ গঠন আৰু ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ বাবে যুৱক-যুৱতীসকলৰ সম্ভাৱনীয়তা, দক্ষতা আৰু শক্তি এটা নতুন গতি দিয়াৰ বাবে অবিৰত প্ৰয়াস অব্যাহত ৰাখিছে।

বাইট -মন্দাভিয়া

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনে দুদিনীয়া ঝাৰখণ্ড ভ্ৰমণৰ কাৰ্যসূচীৰে আজি ৰাছিত উপস্থিত হয়। নেতাগৰাকীয়ে বিমান বন্দৰৰ পৰা পোনে পোনে কৰ্পুৰী ঠাকুৰ চ'কলৈ গৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছত তেওঁ ভগৱান বিৰছা মুণ্ডাৰ প্ৰতিমুৰ্তিত পুস্পাঞ্জলি অৰ্পন কৰে। শ্ৰীনবিনে কয় যে ঝাৰখণ্ড হৈছে তেওঁৰ জন্মভূমি আৰু দ্বিতীয়খন ঘৰ। ঝাৰখণ্ডলৈ আহিলে তেওঁ ঘৰলৈ অহাৰ সুখ অনুভৱ কৰে বুলিও প্ৰকাশ কৰে। নীতিন নবিনৰ এই ঝাৰখণ্ড ভ্ৰমণক ৰাজ্যখনৰ বাবে গুৰুত্বপূৰ্ণ বুলি কেন্দ্ৰীয় মন্ত্ৰী অন্নপূৰ্ণা দেৱীৰ লগতে ৰাজ্যিক বিজেপিৰ নেতাকৰ্মীসকলে প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে পশ্চিমবংগৰ দীৰ্ঘদিন ধৰি আধৰুৱা হৈ থকা ৰে'ল প্ৰকল্পসমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পদক্ষেপে ৰাজ্যখনত ৰে'ল আন্তঃগাথনিৰ উন্নয়নৰ ক্ষেত্ৰত এটা নতুন যুগৰ সূচনা কৰিব। কলকাতাৰ নবান্নাত মুখ্যমন্ত্ৰী শুবেন্দু অধিকাৰীৰ সৈতে এখন যুটীয়া সংবাদমেলত সম্বোধি শ্ৰীবৈষ্ণৱে কয় যে ২০২৬-২৭ বৰ্ষৰ ৰে'ল বাজেটত পশ্চিমবংগৰ বাবে ১৪ হাজাৰ ২০৫ কোটি টকাৰ আৱণ্টন দিয়া হৈছে। তেওঁ কয় যে ৰাজ্যখনত ইতিমধ্যে ১০ টা অমৃত ভাৰত ৰে'ল ষ্টেছনৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। ৯ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী আৰু কেইবাখনো অমৃত ভাৰত ৰে'লগাড়ীৰ বৰ্তমান চলাচল কৰি আছে। ৰেলমন্ত্ৰীগৰাকীয়ে অহা ৫ বছৰৰ ভিতৰত ক'লকাতা মেট্ৰৰ বাবে মুকলি কৰিবলগীয়া ৬০ খন পৰৱৰ্তী প্ৰজন্মৰ ৰেলগাড়ী পৰিকল্পনা কৰি থকাৰ কথাও ঘোষণা কৰে। তেওঁ লগতে প্ৰস্তাৱিত দিল্লী-লক্ষ্ণৌ-বাৰানসী-পাটনা-শিলিগুৰি বুলেট ৰেলগাড়ী কৰিডৰ আৰু দানকুনি - চুৰাট পূৱ-পশ্চিম পৰিবহন কৰিড'ৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশক নতুন গতি প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে পূৰ্বৰ তৃণমূল কংগ্ৰেছ চৰকাৰৰ অৱহেলাৰ বাবে ছিংৰিঘাটা মেট্ৰ প্ৰকল্প সম্পূৰ্ণ হৈ নুঠিল। কিন্তু নতুন চৰকাৰখনে দায়িত্ব লোৱাৰ ১২০ ঘণ্টাৰ ভিতৰতে এই প্ৰকল্প সম্পূৰ্ণ কৰি তোলা হ'ল।

মুখ্যমন্ত্ৰী শুবেন্দু অধিকাৰীয়ে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যুটীয়াভাৱে ১ লাখ কোটিতকৈও অধিক ব্যয়ৰ ৰেল আন্তঃগাথনি প্ৰকল্পৰ অনুমোদন জনাব। তেওঁ কয় যে পশ্চিমবংগত ১০২ টা অমৃত ভাৰত ষ্টেছন, ৫৩৮ উৰণীয়া সেতু আৰু উপপথ নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে। ৬১ টা ৰেল প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণৰ কাম-কাজ অব্যাহত আছে আৰু এই কাম-কাজৰ অগ্ৰগতি নিৰীক্ষণৰ বাবে মুখ্য সচিবৰ কাৰ্যালয়ত এটা বিশেষ কোষ স্থাপন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী শ্ৰীঅধিকাৰীয়ে ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক প্ৰব্ৰজনকাৰী শ্ৰমিক আৰু শিক্ষিত যুৱক-যুৱতীসকলৰ নিয়োগ সৃষ্টিৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ অনুৰোধ জনায়। শ্ৰীবৈষ্ণৱে আজি বিমান বন্দৰৰ পৰা নোৱাপাৰালৈ মেট্ৰো ৰে'লেৰে ভ্ৰমণ কৰাৰ সময়ত যাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰীবৈষ্ণৱৰ সৈতে ৰাজ্যমন্ত্ৰী জগন্নাথ চট্টোপধ্যায় আৰু সাংসদ জ্যোতিৰ্ময় সিং মাহাতো উপস্থিত থাকে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৰৱে ডবা ২০২৬ ৰ খিতাপ অৰ্জন কৰা আৰ প্ৰজ্ঞানন্দাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে খেলুৱৈগৰাকীৰ এই উল্লেখনীয় সাফল্যৰ প্ৰশংসা কৰিছে। শ্ৰীমোদীয়ে লগতে খেলুৱৈগৰাকীৰ ভৱিষ্যতৰ প্ৰতিযোগিতাসমূহলৈও শুভেচ্ছা জনাইছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সন্ধিয়া নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালৰ সৈতে আলোচনাত মিলিত হ'ব। নেপালৰ বৈদেশিক মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই বৈঠকত দুয়ো পক্ষই যৌথ স্বাৰ্থজড়িত বিষয়ত মত বিনিময় কৰিব। লগতে বাণিজ্য, বিনিয়োগ, যোগাযোগ, শক্তি আৰু গণসংযোগৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ চেষ্টা চলাব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে নেপালৰ বিদেশ মন্ত্ৰীগৰাকীৰ ভ্ৰমণে ভাৰত আৰু নেপালৰ মাজত বিশেষ অংশীদাৰিত্ব শক্তিশালী কৰিব তুলিব। তেওঁ উল্লেখ কৰে যে দুয়োখন দেশে উন্নয়ন, সহযোগিতা, গণসংযোগ, বাণিজ্য আৰু বিনিয়োগকে ধৰি বিভিন্ন যৌথ স্বাৰ্থজড়িত বিষয়ত সহযোগিতা বৃদ্ধিৰ আলোচনা কৰিব।

তিনিদিনৰ ভ্ৰমণ সূচীলৈ ভাৰতলৈ অহা নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ড'ভালক সাক্ষাৎ কৰে। ভাৰতত থকা নেপালৰ দূতাবাসে প্ৰকাশ কৰা অনুসৰি দুয়োগৰাকী নেতাই ভাৰত-নেপাল দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ আলোচনা কৰে।

ooooo

মধ্য প্ৰদেশৰ দুয়োগৰাকী বিজেপি প্ৰাৰ্থীয়ে আজি ৰাজ্যসভাৰ বাবে তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ সুঘ আৰু ৰাজনীশ আগৰৱালে ভূপাল বিধানসভাত নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ জমা দিয়ে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ, মধ্য প্ৰদেশ বিজেপিৰ সভাপতি হেমন্ত খন্দেলবাল, মন্ত্ৰী কৈলাশ বিজয়বাৰ্গিয়াৰ লগতে বহুকেইজন দলীয় নেতা উপস্থিত থাকে। পুৱাৰ ভাগত বিজেপি বিধান পৰিষদৰ সদস্যসকলে সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী কৌশল তথা দলীয় একতাৰ বিষয়ত এখন বৈঠকত মিলিত হয়। মধ্য প্ৰদেশৰ ৰাজ্য সভাৰ তিনিখন আসনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৮ জুন। প্ৰাক্তন সাংসদ মীনাক্ষী নটৰাজনেও কংগ্ৰেছ দলৰ পৰা ৰাজ্যসভাৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰিছে।

ooooo

ইজৰাইল আৰু লেবাননে যুদ্ধবিৰতিৰ বাবে সন্মত হোৱাৰ মাত্ৰ কেইদিনমান পিছতে আজি দক্ষিণ লেবাননত ইজৰাইলৰ বিমান আক্ৰমণত তিনিজন সেনাৰ লগতে মুঠ নজন লোক নিহত হৈছে বুলি লেবাননৰ সেনাই প্ৰকাশ কৰিছে। সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে, নবাটিয়া চহৰ আৰু মাৰ্জায়ুন চহৰক সংযোগ কৰা পথত ইজৰাইলে সংঘটিত কৰা বিমান আক্ৰমণত এজন ব্ৰিগেডিয়াৰ জেনেৰেল, এজন কেপ্টেইন আৰু আন এজন সৈনিক নিহত হৈছে। ছাক্সাকিয়া গাঁৱত চলোৱা আন এটা পৃথক আক্ৰমণত ৬জন নাগৰিক নিহত হোৱাৰ লগতে আন চাৰিজন আহত হয়। ইজৰাইলৰ সামৰিক বাহিনীয়ে এতিয়ালৈকে লেবাননৰ সৈনিকসকলক কৰা আক্ৰমণৰ সন্দৰ্ভত কোনো মন্তব্য আগবঢ়োৱা নাই। উল্লেখযোগ্য যে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যস্থতাত ইজৰাইল আৰু লেবানন চৰকাৰৰ মাজত হোৱা আলোচনাৰ জৰিয়তে শেহতীয়া যুদ্ধবিৰতি চুক্তিত উপনীত হৈছিল।

ooooo

ইৰানে বাহৰেইন আৰু কুৱেইটৰ ফালে বেলেষ্টিক মিছাইল আৰু ড্ৰোন নিক্ষেপ কৰিছে বুলি বাহৰেইনে কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। দেশখনৰ বৈদেশিক মন্ত্ৰালয়ে এই আক্ৰমণক নিন্দা কৰাৰ লগতে ইৰাণক তাৎক্ষণিকভাৱে আক্ৰমণ বন্ধ কৰিবলৈ আহ্বান জনায়।

কুৱেইটৰ বৈদেশিক মন্ত্ৰালয়ে এই আক্ৰমণক গৰিহনা দি ইয়াক দেশখনৰ সাৰ্বভৌমত্বৰ স্পষ্ট উলংঘন বুলি অভিহিত কৰি কয় যে কুৱেইটৰ নিজক ৰক্ষা কৰাৰ অধিকাৰ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক বাহিনীয়ে হৰমুজ প্ৰণালী আৰু উপসাগৰীয় আৰৱ মিত্ৰশক্তিক লক্ষ্য কৰি ইৰাণৰ বেলেষ্টিক মিছাইল আৰু ড্ৰোন অৱৰোধ কৰা বুলি ঘোষণা কৰাৰ কিছু ঘণ্টাৰ পিছতে এই বিবৃতিটো জাৰি কৰা হৈছিল। ইয়াৰ প্ৰত্যুত্তৰত

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাবাহিনীয়ে ইৰাণৰ কেইবাটাও উপকূলীয় নিৰীক্ষণ ৰেডাৰ স্থান আক্ৰমণ কৰা বুলি জানিব পৰা গৈছে। ট্ৰাম্প প্ৰশাসনে সংঘাতৰ অন্ত পেলোৱাৰ লক্ষ্যৰে এখন চুক্তিত উপনীত হ'বলৈ ইৰাণৰ ওপৰত চাপ বৃদ্ধি কৰাৰ সময়তে শেহতীয়া উত্তেজনা বৃদ্ধি পাইছে।

০০০০০

ভাৰতৰ পুৰুষ দলটোৱে তৃতীয়বাৰৰ বাবে ১৮ বছৰ অনূৰ্ধ এচিয়া কাপ হকী প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। কাকামিগাহাৰাত আজি অনুষ্ঠিত ফাইনেল খেলত আয়োজক   দেশ জাপানক ৪-১ গলত পৰাস্ত কৰি ভাৰতে খিতাপ দখল কৰে।  ভাৰতৰ হৈ আশীষ পুৰ্তিয়ে হেট্ৰিক কৰে। অধিনায়ক কেটন কুছৱাহাই  এটা গল কৰে। জাপানৰ গাকু নুমান্দাই দলটোৰ হৈ একমাত্ৰ গলটো দিয়ে। ইপিনে, ভাৰতৰ মহিলা দলটোৱে দক্ষিণ কোৰিয়াক ৩-০ গলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃ